NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date :25-11-2022
Time : 1340 Hrs

# ASSAMESE MIDDAY BULLETIN
## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে দেশৰ ইতিহাস গোলামীৰ ইতিহাস নহয়। এই ইতিহাস বিজয়, ত্যাগ আৰু সাহসৰ ইতিহাস।

২। নতুন দিল্লীত তিনিদিনীয়াকৈ আয়োজিত মহাবীৰ লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জয়ন্তীৰ আজিৰ সামৰণি অনুষ্ঠানত প্ৰধানমন্ত্ৰীৰ লগতে অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, ৰাজ্যপাল অধ্যাপক জগদীশ মুখী আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালকে ধৰি বহুকেইগৰাকী নেতাই অংশগ্ৰহণ কৰে।

৩। বিশ্বৰ সৰ্বাধিক জনপ্ৰিয় নেতা হিচাপে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ স্থান অক্ষুণ্ণ আছে।

৪। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে জলবায়ু পৰিবৰ্তন, কোৰিড অতিমাৰী আৰু বঞ্চনাৰ ফলত উদ্ভৱ হোৱা প্ৰত্যাহ্বানৰ মুখামুখি হ'বৰ বাবে সকলো ৰাষ্ট্ৰক একেলগে কাম কৰিবলৈ আহ্বান জনাইছে।

**আৰু**

৫। অকলেণ্ডৰ ইডেন পাৰ্কত আজি অনুষ্ঠিত প্ৰথমখন এদিনীয়া খেলত ভাৰতে -নিউজিলেণ্ডক বিজয়ৰ বাবে ৩০৭ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে দেশৰ ইতিহাস গোলামীৰ ইতিহাস নহয়। এই ইতিহাস বিজয়, ত্যাগ আৰু সাহসৰ ইতিহাস। তেওঁ কয় যে স্বাধীনতাৰ পিছত ভুলকৈ লিখা বুৰঞ্জী মানুহে সলনি কৰা উচিত। কিন্তু, দুৰ্ভাগ্যজনকভাৱে সেয়া হোৱা নাই। এতিয়া দেশে ব্ৰিটিছ শাসনৰ পিছত হোৱা ভুলবোৰৰ শুধৰণি কৰিছে।

নতুন দিল্লীত অনুষ্ঠিত লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জয়ন্তীত মুখ্য অতিথিৰূপে অংশ লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি এনেদৰে কয়। তেওঁ কয় যে লাচিত বৰফুকনে কামৰ মাজেৰে আমাক দেশপ্ৰেমৰ ভাৱনা শিকাইছে। লাচিত বৰফুকনক এগৰাকী মহান যোদ্ধাৰূপেও তেওঁ অভিহিত কৰে। অসমীয়াতে আৰম্ভ কৰা ভাষণ প্ৰসংগত শ্ৰীমোদীয়ে ভাৰতৰত্ন ড০ ভূপেন হাজৰিকাৰ দেশপ্ৰেমমূলক গীতৰ কলি, অসমীয়া কবিতা আদিৰ উদ্ধৃতিৰে কয় যে সেনাপতি লাচিতে মোগলক পৰাভূত কৰাৰ লগতে মোগলৰ হাতৰ পৰা গুৱাহাটী পুনৰ উদ্ধাৰ কৰিছিল। লাচিত বৰফুকনৰ জীৱন আমাৰ বাবে প্ৰেৰণাদায়ক। দেশৰ বাবে তেওঁ মোমায়েকৰ শিৰচ্ছেদ কৰিছিল। দেশতকৈ কোনো সম্পৰ্ক বা ব্যক্তি ডাঙৰ হ'ব নোৱাৰে বুলিও তেওঁ ব্যক্ত কৰে। স্বাধীনতাৰ অমৃত মহোৎসৱ উদযাপনৰ সময়তে লাচিতৰ ৪০০ বছৰীয়া জয়ন্তী পালন কৰা হৈছে। সেয়ে এই বৰ্ষটো আমাৰ বাবে গৌৰৱৰ বৰ্ষ বুলিও তেওঁ উল্লেখ কৰে। তেওঁ কয় যে শৰাইঘাটৰ যুদ্ধই লাচিত বৰফুকনৰ জন্মভূমিৰ প্ৰতি থকা প্ৰেম আৰু দুৰ্বলতাৰ কথা সোঁৱৰায়।

অনুষ্ঠানত ভাষণ দি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় লাচিত বৰফুকন আছিল সাহসৰ প্ৰতীক। উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়ন তথা বিকাশৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰীৰ ভূমিকাক প্ৰশংসা কৰি শ্ৰীসোণোৱালে কয় যে প্ৰধানমন্ত্ৰীগৰাকীয়ে অঞ্চলটোৰ উন্নয়নৰ বাবে অহৰ্নিশে কাম কৰি আহিছে। অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয় যে লাচিত বৰফুকনৰ নামত বিশেষভাৱে প্ৰস্তুত কৰা এপৰ জৰিয়তে ৪০ লাখ লোকে লাচিত বৰফুকনৰ লেখা পঠিয়াইছে। তেওঁ কয় যে শৰাইঘাটৰ যুদ্ধ দেশৰ ইতিহাসত স্মৰণীয় হৈ ৰ'ব। কিয়নো এই যুদ্ধতেই আগ্ৰাসি মোগলৰ হাতৰ পৰা লাচিত বৰফুকনে গুৱাহাটী উদ্ধাৰ কৰাৰ লগতে মোগলক পৰাস্ত কৰিছিল। মুখ্যমন্ত্ৰীগৰাকীয়ে আৰু কয় যে লাচিত বৰফুকন দেশৰ এগৰাকী বীৰ আৰু তেওঁৰ বীৰত্ব তথা দেশপ্ৰেমৰ বিষয়ে জানিবলৈ সকলো আগ্ৰহী হোৱা উচিত।

উল্লেখযোগ্য যে নতুন দিল্লীত অনুষ্ঠিত লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জয়ন্তীৰ আজি সামৰণি অনুষ্ঠান।

ooooooooo

বিশ্বৰ সৰ্বাধিক জনপ্ৰিয় নেতা হিচাপে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ স্থান অক্ষুণ্ণ আছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ এটা সংস্থাৰ শেহতীয়া আন্তঃৰাষ্ট্ৰীয় অধ্যয়নত প্ৰকাশ পোৱা মতে ৭৭ শতাংশ সমৰ্থনেৰে প্ৰধানমন্ত্ৰী মোদীয়ে এতিয়াও জনপ্ৰিয়তাৰ শিখৰত অৱস্থান কৰিছে। **মৰ্ণিং কনছাল্ট** নামৰ প্ৰতিষ্ঠানটোৱে এই সন্দৰ্ভত প্ৰকাশ কৰা তথ্য অনুসৰি মেক্সিকোৰ ৰাষ্ট্ৰপতি এণ্ডেছ মেনুৱেল ল'পেজ অব্ৰেডৰ এই তালিকাৰ দ্বিতীয় স্থানত থকাৰ বিপৰীতে অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী এন্থনি এল্‌বানিজ তালিকাৰ তৃতীয় স্থানত আছে। আনহাতে, বিশ্বৰ ২২ গৰাকী নেতাক সামৰি লৈ প্ৰস্তুত কৰা জনমতৰ এই তালিকাত আমেৰিকা ৰাষ্ট্ৰপতি জ' বাইডেনে নৱম আৰু ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী ঋষি ছুনাকে দশম স্থান লাভ কৰিছে।

উল্লেখযোগ্য যে, প্ৰতিখন দেশৰ প্ৰাপ্তবয়স্ক লোকৰ পৰা মতামত গ্ৰহণ কৰি যোৱা ১৬ নৱেম্বৰৰ পৰা ২২ নৱেম্বৰৰ ভিতৰত সংগ্ৰহ কৰা তথ্যৰ আধাৰত সংস্থাটোৱে এই আন্তঃৰাষ্ট্ৰীয় তালিকাখন যুগুত কৰি উলিয়াইছে। ইয়াৰ পূৰ্বেও প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই তালিকাৰ শীৰ্ষত স্থান লাভ কৰিছিল।

ooooooooo

বিশ্বৰ সৰ্বাধিক জনপ্ৰিয় নেতা হিচাপে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ স্থান অক্ষুণ্ণ আছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ এটা সংস্থাৰ শেহতীয়া আন্তঃৰাষ্ট্ৰীয় অধ্যয়নত প্ৰকাশ পোৱা মতে ৭৭ শতাংশ সমৰ্থনেৰে প্ৰধানমন্ত্ৰী মোদীয়ে এতিয়াও জনপ্ৰিয়তাৰ শিখৰত অৱস্থান কৰিছে। **মৰ্ণিং কনছাল্ট** নামৰ প্ৰতিষ্ঠানটোৱে এই সন্দৰ্ভত প্ৰকাশ কৰা তথ্য অনুসৰি মেক্সিকোৰ ৰাষ্ট্ৰপতি এণ্ডেছ মেনুৱেল ল'পেজ অব্ৰেডৰ এই তালিকাৰ দ্বিতীয় স্থানত থকাৰ বিপৰীতে অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী এন্থনি এল্‌বানিজ তালিকাৰ তৃতীয় স্থানত আছে। আনহাতে, বিশ্বৰ ২২ গৰাকী নেতাক সামৰি লৈ প্ৰস্তুত কৰা জনমতৰ এই তালিকাত আমেৰিকা ৰাষ্ট্ৰপতি জ' বাইডেনে নৱম আৰু ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী ঋষি ছুনাকে দশম স্থান লাভ কৰিছে।

উল্লেখযোগ্য যে, প্ৰতিখন দেশৰ প্ৰাপ্তবয়স্ক লোকৰ পৰা মতামত গ্ৰহণ কৰি যোৱা ১৬ নৱেম্বৰৰ পৰা ২২ নৱেম্বৰৰ ভিতৰত সংগ্ৰহ কৰা তথ্যৰ আধাৰত সংস্থাটোৱে এই আন্তঃৰাষ্ট্ৰীয় তালিকাখন যুগুত কৰি উলিয়াইছে। ইয়াৰ পূৰ্বেও প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই তালিকাৰ শীৰ্ষত স্থান লাভ কৰিছিল।

ooooooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে জলবায়ু পৰিবৰ্তন, কোৱিড অতিমাৰী আৰু ব্যাপক হাৰত পৰিব্যাপ্ত বঞ্চনাৰ ফলত উদ্ভৱ হোৱা প্ৰত্যাহ্বানৰ মুখামুখি হ'বৰ বাবে সকলো ৰাষ্ট্ৰক একেলগে কাম কৰিবলৈ আহ্বান জনাইছে। তেওঁ কয় যে এই ক্ষেত্ৰত গ্ৰহণ কৰিবলগীয়া কাৰ্যব্যৱস্থাক পথচ্যুত কৰিবলৈ যুদ্ধ আৰু সংঘাতৰ দৰে ধ্বংসাত্মক পৰিস্থিতিসমূহক সুবিধা নিদি সকলো দেশেই ঐক্যবদ্ধভাৱে পদক্ষেপ গ্ৰহণ কৰা উচিত।

নতুন দিল্লীত আজি ভাৰত প্ৰশান্ত মহাসাগৰীয় আঞ্চলিক বৈঠক ২০২২ত ভাষণ দি শ্ৰীসিঙে এইদৰে মত প্ৰকাশ কৰে। তেওঁ লগতে **যুদ্ধৰ যুগৰ ইতিমধ্যে অৱসান ঘটিছে** বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰা মন্তব্য বালিত অনুষ্ঠিত জি-টুৱেণ্টি ৰাষ্ট্ৰগোষ্ঠীৰ শেহতীয়া শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰা বিশ্বৰ নেতাসকলৰ কণ্ঠত প্ৰতিধ্বনিত হোৱা বুলিও উল্লেখ কৰে। সকলো ৰাষ্ট্ৰৰে পৰস্পৰৰ উমৈহতীয়া স্বাৰ্থ আৰু উমৈহতীয়া নিৰাপত্তা প্ৰয়োজনীয় বিষয়ত গুৰুত্ব আৰোপ কৰি তেওঁ কয় যে সকলো পক্ষই সমন্বিতভাৱে সুৰক্ষাৰ কথা চিন্তা কৰিলে গোলকীয় সুৰক্ষাৰ পথ প্ৰশস্ত হ'ব।

প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে লগতে কয় যে আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ৰ অৰ্থনৈতিক উন্নয়নৰ বাবে ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলটো অতিশয় গুৰুত্বপূৰ্ণ। অঞ্চলটোৰ কেইবা শতিকা ধৰি ব্যৱহৃত হৈ অহা সাগৰীয় পথসমূহে ব্যৱসায়-বাণিজ্য সূচল কৰি তোলাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে বুলি উল্লেখ কৰি তেওঁ কয় যে ভাৰতে ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ ক্ষেত্ৰত **আছিয়ান**ক প্ৰাধান্য দি আহিছে।

০০০০০০০০০

অকলেণ্ডৰ ইডেন পাৰ্কত আজি অনুষ্ঠিত তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত ভাৰতে নিউজিলেণ্ডক বিজয়ৰ বাবে ৩০৭ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। নিউজিলেণ্ডে টছত জিকি ভাৰতক বেট ধৰিবলৈ আমন্ত্ৰণ জনোৱাত দলটোৱে নিৰ্ধাৰিত ৫০ অ'ভাৰত ৭ টা উইকেটৰ বিনিময়ত ৩০৬ ৰান সংগ্ৰহ কৰে। দলৰ হৈ শ্ৰেয়াছ আয়াৰে ৭৬ টা বলত সৰ্বাধিক ৮০ ৰান সংগ্ৰহ কৰাৰ বিপৰীতে শিখৰ ধাৱান আৰু শুভমন গীল উভয়ে অৰ্ধশতৰানৰ বৰঙণি আগবঢ়ায়।

এই বাতৰি যুগুতোৱাৰ পৰলৈ নিউজিলেণ্ডৰ দলটোৱে ৩৩ দশমিক ৪ অভাৰত ৩ টা উইকেট হেৰৱাই ১৭৯ ৰান সংগ্ৰহ কৰিছে।

০০০০০০০০০

কাটাৰত অনুষ্ঠিত ফিফা বিশ্বকাপ প্ৰতিযোগিতাত আজি তিনিখন খেল অনুষ্ঠিত হ'ব। ভাৰতীয় সময় অনুসৰি দিনৰ চাৰে ৩ বজাত আহমদ-বিন আলী ষ্টেডিয়ামত হ'বলগীয়া গ্ৰুপ-বি-ৰ এখন খেলত ৱেল্‌ছ ইৰাণৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

আনহাতে, সন্ধিয়া চাৰে ৬ বজাত আল-থুমামা ষ্টেডিয়ামত কাটাৰ আৰু ছেনেগালৰ মাজত গ্ৰুপ-এ-ৰ এখন খেল অনুষ্ঠিত হোৱাৰ বিপৰীতে ড'হাৰ খালিফা আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত নিশা চাৰে ৯ বজাত হ'বলগীয়া আনখন খেলত নেদাৰলেণ্ডছ ইকুৱেড'ৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

উল্লেখযোগ্য যে গ্ৰুপ-জি-ৰ এখন খেলত ব্ৰাজিলে নিজৰ প্ৰথমখন খেলত ছাৰ্বিয়াক ২-০ ব্যৱধানত পৰাজিত কৰে। এই জয়লাভৰ জৰিয়তে পাঁচবাৰৰ চেম্পিয়ন ব্ৰাজিল দলটো গ্ৰুপ-জিৰ শীৰ্ষস্থানত উপনীত হয়। ব্ৰাজিলৰ প্ৰশিক্ষক টাইটে দলৰ চাৰিজন ফৰৱাৰ্ড নেমাৰ, ভিনিছিয়াছ জুনিয়ৰ, ৰাফিনহা আৰু ৰিচাৰ্লিছনক

আক্ৰমণৰ বাবে একেলগে খেলোৱাৰ সিদ্ধান্তই দলটোৰ সফলতাৰ পথ প্ৰশস্ত কৰে। প্ৰশিক্ষকগৰাকীৰ এই ৰণকৌশলৰ বাবেই দক্ষিণ আমেৰিকাৰ দলটোৱে ছাৰ্বিয়াৰ প্ৰতিদ্বন্দ্বীসকলক প্ৰতিবাৰেই থমকি ৰ'বলৈ বাধ্য কৰায়।

ইয়াৰ পূৰ্বে ড'হাত অনুষ্ঠিত প্ৰতিযোগিতাৰ গ্ৰুপ-এইছৰ এখন ৰোমাঞ্চকৰ খেলত ক্ৰিষ্টিয়ানো ৰোণাল্ডোৱে বিশ্ব অভিলেখ গঢ়াৰ বিপৰীতে  পৰ্টুগালে ঘানাক ৩-২ ব্যৱধানত পৰাজিত কৰে। খেলখনৰ প্ৰথমাৰ্ধ গলবিহীনভাৱে সমাপ্ত হোৱাৰ পাছত ক্ৰিষ্টিয়ানো ৰোণাল্ডোৱে পেনাল্টি শ্বুটৰ জৰিয়তে প্ৰথমটো গল দিয়ে আৰু ইয়াৰ ফলত তেওঁ একেৰাহে ৫খন বিশ্বকাপ প্ৰতিযোগিতাত গল দিয়া বিশ্বৰ প্ৰথমজন ফুটবল খেলুৱৈ হিচাপে পৰিগণিত হয়। উল্লেখযোগ্য যে ক্ৰিষ্টিয়ানো ৰোণাল্ডোৱে ২০০৬ বৰ্ষৰ পৰা আৰম্ভ কৰি ২০১০, ২০১৪, ২০১৮, আৰু চলিত বৰ্ষৰ বিশ্বকাপ প্ৰতিযোগিতাত এই সফলতা লাভ কৰিবলৈ সমৰ্থ হৈছে। আনহাতে, এই প্ৰথমটো গলৰ পাছত ঘানাৰ এনড্ৰি আয়েৱে দলৰ হৈ ক্ষমতা স্থাপন কৰে যদিও পৰ্টুগালৰ জোৱাঅ' ফেলিক্স আৰু ৰাফেল লিয়াৱে একোটা গলেৰে ৩-১ ৰ ব্যৱধানত  নিজ দলৰ বিজয় নিশ্চিত কৰে। ইপিনে, উৰুগুৱে আৰু দক্ষিণ কোৰিয়াৰ মাজৰ খেলখন গলশূন্যভাৱে অমীমাংসিত হৈ ৰয়।

আনহাতে, আল জানৌব ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-জি-ৰ প্ৰথমখন খেলত ছুইজাৰলেণ্ডে কেমৰুণক ১-০ৰ ব্যৱধানত পৰাস্ত কৰে।

০০০০০০০০০

সমাপ্ত